بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ    نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ    وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জু'মা

## ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ১৫ জুলাই ২০১৬ চনত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জু'মাৰ খোতবাৰ সাৰাংশ।

জমাতৰ খিদ্‌মত এটা নগণ্য বা সাধাৰণ খিদ্‌মত বুলি ভাৱিব নালাগে। এয়া ওপৰে-ওপৰে আলসুৱা ভাৱে লোৱা উচিত নহয়। সদায় মনত ৰাখিব আল্লাহ তায়লা স্পষ্ট ভাৱে উদ্ভাসন কৰিছে যে এই আমানত তোমালোকৰ ওচৰত গচ্ছিত কৰা হৈছে আৰু তোমালোকে গ্ৰহন কৰি লৈ প্ৰতিজ্ঞাবদ্ধ হৈছে, গতিকে নিজৰ আমানত আৰু নিজৰ প্ৰতিজ্ঞা পূৰ্ণ কৰা।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; কিছুদিন আগত মই এটা খোতবাত উল্লেখ কৰিছো যে এই বছৰটো হ'ল জমাতী পদাধিকাৰী সকলক নিৰ্বাচন কৰাৰ বছৰ। এতিয়ালৈকে কেইবাখন ঠাইত নিৰ্বাচন অনুষ্ঠিত হৈ গৈছে। নতুন পদাধিকাৰী সকলে নিজৰ-নিজৰ দায়িত্ব পালনত ব্ৰতী হৈছে। নতুনকৈ নিৰ্বাচিত হৈ অহা সকলে আল্লাহ তায়লাৰ সমীপত কৃতাঞ্জলিৰে প্ৰশংসামুখৰ হোৱা উচিত কাৰণ আল্লাহ তায়লা তেওঁলোকক জমাতৰ খিদ্‌মতৰ বাবে নিৰ্বাচিত কৰিছে। লগতে আল্লাহ তায়লাৰ বৈভৰত নতশীৰে সহায় প্ৰাৰ্থনা কৰা উচিত যাতে আল্লাহ তায়লা তেওঁলোকক আমানতৰ হ'ক আদায় কৰাৰ যোগ্যতা দান কৰে। এনেদৰে যি সকল পদাধিকাৰী সকলে দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হৈছে তেওঁলোকেও আল্লাহ তায়লাৰ ওচৰত সহায় প্ৰাৰ্থনা কৰিব যাতে আল্লাহ তায়লা তেওঁলোকক আমানত ৰক্ষাৰ সকলো ক্ষমতা দান কৰে আৰু পাৰ হৈ যোৱা দায়িত্বত থকা দিনবোৰৰ ক্ৰটি বিচ্যুতি মাৰ্জনা কৰি আকৌ কৃপা ভৰা হাত আগবঢ়াই আগন্ত তিনি বছৰৰ বাবে খিদ্‌মত প্ৰদানৰ সুযোগ দান কৰে যেন। যাতে ভৰিষ্যতৰ তিনিটা বছৰত কোনোধৰণৰ এলাহ অৱহেলা আৰু অমনযোগীতাই উক্ত আমানত ৰক্ষাৰ বাট আগচি নধৰে। এঠাইত আল্লাহ তায়লা সত্য আৰু তাকওয়াৰ ওপৰত চলা সকলৰ নিদৰ্শন এয়া উল্লেখ কৰিছে যে- وَالۡمُوۡفُوۡنَ بِعَهۡدِهِمۡ اِذَا عٰهَدُوۡا অৰ্থাৎ যেতিয়া কোনো এজনে নিজৰ প্ৰতিশ্ৰুতি পুৰণ কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হয় (নিশ্চয়) পূৰণ হয়। গতিকে এইটো এটা বুনিয়াদী পৰিচয় হ'ব লাগে বিশেষকৈ সেই সকল লোকৰ বাবে যি সকলে জমাতৰ কামৰ দায়িত্ব পালন কৰে আৰু এয়াযেন তেওঁলোকে সদায় সত্যৰ ওপৰত প্ৰতিষ্ঠিত থাকি নিজৰ তাকওয়া ৰক্ষা কৰি কাম পৰিচালনা কৰিছে। যদি তেওঁলোকৰ সত্যতাৰ মাজত অতি সামান্য পৰিমাণেও গোলমাল পোৱা যায় আৰু যদি তেওঁলোকৰ তাকওয়া সাধাৰণ জনতাৰ সন্মুখত আদৰ্শ স্বৰূপ নহয় তেন্তে বুজিব লাগিব যে তেওঁ নিজৰ পদ আৰু প্ৰতিজ্ঞা অনুযায়ী আমানতৰ হ'ক আদায় কৰাৰ প্ৰতি মনযোগ দিয়া নাই। গতিকে আমিৰ, সদৰ সকলে প্ৰথমেই নিজৰ নিজৰ আদৰ্শ গঢ়ি তোলক। তৰবিয়ত সম্পাদক সকলৰ কাম তেতিয়াহে সম্পূৰ্ণ ৰূপে সম্পাদিত হ'ব যেতিয়া তেওঁলোকে আদৰ্শ মুলক হিচাপে কাম সম্পাদন কৰিব। নিজৰ আমল কৰি বেলেগক কৰিবলৈ উপদেশ দিব। গতিকে তৰবিয়ত সম্পাদক সকলেও জনতাৰ মানস পটত নিজৰ আদৰ্শ স্থাপন কৰক। মই কেইবা বাৰ এই বিষয়ে উল্লেখ কৰিছো যে যদি তৰবিয়ত বিভাগ সুচাৰু ৰূপে নিজৰ দায়িত্ব পালন কৰে তেন্তে আন-আন বিভাগ সমুহ নিজে-নিজে কামত ব্ৰতী হ'ব। জমাতৰ সদস্য সকলৰ শৈক্ষিক মান যিমান উন্নত হ'ব সিমানেই প্ৰত্যেক বিভাগত কাম সহজ হৈ পৰিব। ছেক্ৰেটাৰী মাল, ছেক্ৰেটাৰী অমুৰ আমা, ছেক্ৰেটাৰী তবলিগ আদিসকলোৰে কাম সহজ হৈ পৰিব। মই বাৰে-বাৰে আমলাৰ মিটিংত এই বিষয়ে মনযোগ আকৰ্ষণ কৰিছো যে প্ৰথমে নিজৰ-নিজৰ ঘৰৰ পৰা এই তৰবিয়তৰ কাম আৰম্ভ কৰক আৰু এই ঘৰ কেৱল তৰবিয়ত ছেক্ৰেটাৰীৰ ঘৰ নহয় বৰং মজলিচ আমলাৰ সকলো সদস্যৰ ঘৰ আৰু মজলিচ আমলাৰ সদস্য সকলে বেছিকৈ নিজৰ তৰবিয়ত সম্পৰ্কে মনযোগ দিব

লাগিব। আমিৰ জমাত, সদৰ জমাত, তৰবিয়ত সম্পাদক আদি সকলোৱে যিবোৰ প্ৰগ্ৰাম বনাব তাত নিজৰ জমাতৰ মজলিচ আমলাৰ নিৰ্দেশ মানি চলিব লাগিব আৰু মজলিচ আমলাই সেই প্ৰগ্ৰাম সমুহ সুচৰু ৰূপে পালন হৈছে নাই চাব লাগিব। আল্লাহ তায়লাৰ বুনিয়াদী নিৰ্দেশ আৰু মানৱ জন্মৰ যি উদ্দেশ্য সেয়া আমলাৰ সদস্য সকলে পূৰ্ণ কৰিছেনে ? যদি সেয়া কৰা নাই তেন্তে তাত তাকওয়া নাই। আল্লাহ তায়লাৰ আটাইতকৈ ডাঙৰ হ’ক হ’ল ইবাদত কৰা। ইয়াৰ বাবে পুৰুষ সকললৈ আদেশ হ’ল বাজমাত নমাজ অনুষ্ঠিত কৰা। গতিকে আমিৰ, সদৰ পদাধিকাৰী সকলে নিজৰ নমাজৰ হ’ক বাজমাত আদায় কৰাৰ পূৰ্ণ চেষ্টা কৰিব লাগিব। যাৰ দ্বাৰা মছজিদৰ সৌন্দৰ্য্য পাব আৰু আল্লাহ তায়লাৰ কৰুণা অৰ্জন কাৰী হ’ব পাৰিব আৰু নিজৰ উক্ত আমলৰ জৰিয়তে জমাতৰ সদস্য সকলৰ তৰবিয়ত কাৰীও হ’ব পাৰিব। গতিকে কাম কৰোঁতা সকলে প্ৰথমে নিজকে পৰ্যালোচনাৰ দৃষ্টিৰে চাব লাগিব যে তেওঁ কিমানদুৰ কথা আৰু কামত একে আছে।

আল্লাহ তায়লা কৈছে যে; يٰۤاَيُّهَا الَّذِيۡنَ اٰمَنُوۡا لِمَ تَقُوۡلُوۡنَ مَا لَا تَفۡعَلُوۡنَ অৰ্থাৎ “ হে মোমিন সকল সেইবোৰ কথা কিয় প্ৰকাশ কৰা, যিবোৰ সমাধা নকৰা।” হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; উক্ত আয়াতত এই ভাবাৰ্থ লুকাই আছে যে পৃথিবীত মুখেৰে কৰিম বুলি প্ৰকাশকৰি নিজে নকৰা মানুহ আছিল আৰু আছে আৰু থাকিব। তেখেত (আঃ) য়ে কৈছে যে কথা শুনি লোৱা আৰু মনত ৰাখিবা যে মানুহৰ কথা বতৰা যদি পবিত্ৰ হৃদয়ৰ নহয় আৰু তাত কোনো কাৰ্যকৰী শক্তি নাথাকে তেন্তে সেইবোৰ মানুহৰ কোনো প্ৰভাৱ নাথাকে।

আমাৰ কথা আৰু কামত কোনো ধৰনৰ পাৰ্থক্য থাকিব নালাগে। গতিকে এই বাক্য শাৰী সন্মুখত ৰাখি চলা লোক পদৰ অধিকাৰী হোৱা উচিত। যি ঠাইত অলপ কেই ঘৰ আহমদী বসবাস কৰে আৰু তাত নমাজ পঢ়াৰ ব্যাৱস্থা নাই তাত ঘৰতেই নমাজ পঢ়াৰ ব্যাৱস্থা কৰিব লাগে। এয়াই হ’ল ইবাদত যি মানব জন্মৰ প্ৰকৃত তাৎপৰ্য্য। ইয়াৰ হ’ক আমি আদায় কৰিবই লাগিব। এই ক্ষেত্ৰত বিশেষকৈ পদাধিকাৰী সকলে মুঠেই পিছ পৰি থাকিব নালাগে। কোনো পদবী লাভৰ আশাত বা পদাধিকাৰী বনোৱাৰ মানসেৰে কোনোবা জনক খিদমতৰ দায়িত্ব অৰ্পন কৰা নহয়। আঁহজৰত (ছাঃ) য়ে বৰ্ণনা কৰিছে যে জাতিৰ নায়ক হ’ল সেই জাতিৰ সেৱক। বিভিন্ন সময়ত পদাধিকাৰী সকলে সমালোচনাৰ পাত্ৰ হ’ব লাগে। যদি সমালোচনা কৰে তেন্তে সেয়া শুনিব লাগে। এনে ক্ষেত্ৰত পদাধিকাৰীয়ে নিজেই বিবেচনা কৰিব পাৰে যে তাৰ ধৈৰ্য্য ধাৰণ কৰাৰ সীমা কিমান দুৰলৈ আৰু কিমান লৈ নম্ৰতা প্ৰদৰ্শন কৰিব লাগে। মাজে সময়ে পদাধিকাৰী সকলৰ সন্মুখত এনেকুৱা সমস্যাই দেখা দিয়ে যিবোৰ ধৈৰ্য্য ধৰিব নোৱাৰি। যদি কোনোবাই অশিষ্ট ব্যাৱহাৰ দেখুৱায় তেন্তে সমালোচনা আৰম্ভ হৈ যায় এনেকি কিছুমান ঠাইত মছজিদতে কাজিয়াৰ সুত্ৰপাত হয়। এই বোৰ কথায় সৰু সৰু ল’ৰা ছোৱালী আৰু ডেকা গাভৰুৰ ওপৰত বৰ বেয়া প্ৰভাৱ পেলায়।

বিভিন্ন সময়ত মৰকজৰ ফালৰ পৰা পদাধিকাৰী সকললৈ বিভিন্নবিষয়ত ৰিপোৰ্ট প্ৰেৰণ কৰিবলৈ দিয়া হয় কিন্তু পদাধিকাৰী সকলে কোনো ধৰণৰ অনুসন্ধান নকৰাকৈ অসাৱধানতাৰে সৈতে ৰিপোৰ্ট লিখি পঠায়। অথবা কোনো কোনো বিষয় সমুহ নিৰৰ্থক ভাবে অসম্পূৰ্ণ কৰি ৰাখে যাৰ ফলত অভাৱ গ্ৰস্থ সকলৰ আবেদনৰ ওপৰত কাৰ্যকৰী ব্যাৱস্থা লোৱাত পলম হয় আৰু সময় মতে অভাৱ পূৰণ নোহোৱাত সিহঁতৰ আৰু বেছি ক্ষতি হয় অথবা কষ্ট ভুগিব লাগে। কিছুমান পদাধিকাৰী সকলে নিজৰ ব্যাস্ততাৰ কথাৰে আপত্তি জনায়। কিন্তু নিজৰ ওচৰ সম্বন্ধীয় সকলৰ কোনো বিষয় হ’লে গুৰুত্ব বেলেগ ধৰনৰ হয়। গতিকে প্ৰকৃত খিদমতৰ অনুৰাগ, কোৰবানী কৰাৰ অনুভুতি আৰু নিজৰ ওপৰত ন্যস্ত আমানত ৰক্ষাৰ দায়িত্ব পালনৰ অৰ্থ হ’ল সকলোৱে ক্ষেত্ৰত চিন্তাৰ মানদণ্ড একে ৰাশিতে ৰখা। যেতিয়া বেলেগৰ কষ্টক নিজৰ কষ্ট ভাৱি কামত আগবাঢ়িব তেতিয়াহে জমাতৰ মাজত কুৰবানীৰ মান উচ্চ হ’ব। এজনে আন জনৰ প্ৰাপ্যত হস্থক্ষেপ নকৰিব। আমি বেলেগক কওঁ যে পৃথিৱীত তেতিয়াহে শান্তি প্ৰতিষ্ঠিত হ’ব যেতিয়া সকলো ক্ষেত্ৰতে প্ৰাপ্য অধিকাৰ খৰ্ব কৰাৰ সলনি বৈধ হ’ক বা অধিকাৰ প্ৰদান কৰাৰ অনুভুতিৰ জন্ম দিয়া হ’ব। কিন্তু যদি আমাৰ নিজৰে মাজত এনেকুৱা

ইচ্ছা অনুৰাগ নোহোৱা হয় তেন্তে আমি এনেকুৱা কাম কৰি আছো যি আল্লাহ তায়লাৰ অপছন্দনীয়। নম্রতাৰ সম্পূৰ্ণ গুনাৱলী এজন পদাধিকাৰীৰ ভিতৰত থকা অতি প্রয়োজন। যদি কোনো পদাধিকাৰীৰ হৃদয়ত নিজৰ পদৰ ভাৱে অহমিকাৰ জন্ম হয় তেন্তে মনত ৰাখিব এই অহঙ্কাৰে তেওঁক খোদা তায়লাৰ পৰা আঁতৰ কৰিব। এনেকুৱা লোক জমাতৰ বাবে লাভদায়ক নহয় বৰং ক্ষতিৰহে কাৰক হৈ পৰে।

কিছুমান মানুহ সাধাৰণতে বৰ বিনয়ী ভাৱ প্রকাশ কৰে কিন্তু যেতিয়া কোনো ক্ষেত্রত সাধাৰণ মানুহৰ লগত মতানৈক্য ঘটে তেতিয়া অতি সোনকালে তাৰ অফিচাৰগিৰি ওলাই পৰে আৰু তাৰ পদৰ গৰিমা দেখুৱায়। তেতিয়া তাৰ নম্রতাৰ ভিতৰত লুকাই থকা বিকৃত মস্তিস্কৰ প্রকৃত ৰূপৰ দুৱাৰ মুকলি হয়। গতিকে যেতিয়া নিজৰ ইচ্ছাৰ বিৰুদ্ধে কোনো কথাৰ অৱতাৰনা ঘটে তেতিয়া ন্যায়ৰ ওপৰত প্রতিষ্ঠিত থাকি সেই সিদ্ধান্তৰ বিষয়ে অনুসন্ধান কৰি শুদ্ধ ৰায় প্রদান কৰিব লাগে।

প্রত্যেক পদাধিকাৰীৰ বিশেষ এটা গুন থাকিব লাগে যে তেওঁ যেন তাৰ তলতীয়া কৰ্মী বৃন্দৰ সৈতে ভাল ব্যাৱস্থাৰ কৰে। উত্তম আচৰণৰ সৈতে তলখাপৰ কৰ্মী সকলক কামৰ দিহা দিব লাগে যাতে জমাতৰ কাম সুচাৰু ৰূপে পৰিচালনা কৰিবলৈ সদায় কৰ্মী উপলব্দ হয়। হজৰত খলিফাতুল মছিহ তৃতীয়ৰ সময়ত এজন পদাধিকাৰীয়ে ভাৱিছিল যে তাৰ কাৰ্য ক্ষমতা আৰু পৰিশ্রমৰ বলত জমাতৰ মালী নিজাম ঠিক ঠাক চলি আছে। হজৰত খলিফাতুল মছিহ তৃতীয়ই কথাটো গম পোৱাৰ লগে-লগে মানুহ জনক পদচ্যুত কৰি সেই কাম এনেকুৱা এজন ব্যাক্তিৰ ওপৰত ন্যাস্ত কৰে যি জনে মাল সম্পৰ্কে আলিফ, বা, পৰ্যন্ত নাজানে। কিন্তু কাৰন এয়া হ'ল আল্লাহ তায়লাৰ কাম, খলিফাৰ সৈতে থাকে আল্লাহ তায়লাৰ সম্পৰ্ক। নতুন কৈ নিযুক্ত হোৱা ব্যাক্তিজনৰ হতুবাই মালী নিজামত এনেকুৱা উন্নতি আহিল যে সেয়া অনুমান কৰিব নোৱাৰি। গতিকে জমাতৰ সকলো পদাধিকাৰী কৰ্মী আৰু ওয়াকফে জিন্দেগী সকলক আল্লাহ তায়লাহে সুবিধা দিয়ে যাতে সকলোৱে ধৰ্মৰ সেৱা কৰি আল্লাহ তায়লাৰ কৃপাৰ অধিকাৰী হয়। সেয়া কোনেও ভাৱিব নালাগে যে মোৰ জ্ঞান বুদ্ধিয়ে জমাতক পৰিচালনা কৰি আছে।

আকৌ প্রত্যেক পদাধিকাৰী হৰ্য আনন আৰু উৎফুল চৰিত্রৰ হোৱা উচিত। আল্লাহ তায়লা কৈছে;
وَقُولُوا لِلنَّاسِ حُسْنًا - অৰ্থাৎ মানুহক বিনম্র আৰু উৎফুল্ল চৰিত্র প্রদৰ্শন কৰা। এইটো এটা বুনিয়াদী চৰিত্র যিয়ে মানুহক মুগ্ধ কৰে। নিজৰ লগত কাম কৰা সকল নাইবা বেলেগৰ লগত কথোপকথনৰ সময়ত নিজৰ উত্তম চৰিত্র প্রকাশ কৰিব লাগে। আঁহজৰত (ছাঃ) য়ে এবাৰ নিজে নিযুক্তি দিয়া ইয়ামিনৰ গভৰ্নৰক উপদেশ দিছিল যে মানুহৰ প্রতি সদাশয় হ'বা সনাহী নহবা, ভালপোৱা আৰু আনন্দ বিস্তাৰ কৰিবা, ঘৃণাৰ জন্ম নিদিবা। এয়া এনেকুৱা এটা উপদেশ যিয়ে পদাধিকাৰী আৰু জমাতৰ সদস্যৰ মাজত হোৱা সম্পৰ্কৰ সৌন্দৰ্য কৰে। লগতেইয়াৰ ফলস্বৰূপে জমাতত পাৰস্পৰিক সহৃদয়তায় জন্ম লাভ কৰে।

আকৌ আমিৰ, সদৰ আৰু ছেক্রেটাৰি সকলৰ এটা গুৰুত্ব পূৰ্ণ কাম হ'ল মৰকজৰ হিদায়েত আৰু নিৰ্দেশৰ ওপৰত গুৰুত্ব দি সেয়া কাৰ্যকৰী কৰা আৰু জমাতৰ দ্বাৰা কৰোৱা। কিছুমান জমাতৰ ফালৰ পৰা আপত্তি যে মৰকজৰ নিৰ্দেশ মৰ্মে আমল পৰিচালিত হোৱা নাই। এয়া বৈধ কথা নহয় যে মৰকজৰ নিৰ্দেশ অমান্য কৰি নিজৰ বিবেচনাৰ অধীনত পৰিচালিত হৈ কাম কৰে আৰু মৰকজক কোনো খবৰ নিদিয়ে।

মুচি সকলৰ বিষয়ে মই কব বিচাৰো যে; প্রথমে মুচি সকলে মনত ৰাখিব লাগিব যে নিজৰ চান্দা সঠিক হিচাপত আদায় দিব আৰু এয়া উপলব্দি কৰা মুচি সকলৰ দায়িত্ব। কিন্তু দফ্তৰ আৰু ইয়াৰ সম্পৰ্কীয় ছেক্রেটাৰী সকলে প্রত্যেক মুচিৰ হিচাপ সম্পূৰ্ণ ৰূপে ঠিক ৰাখিব আৰু সময়ত মনত পেলাই দিব লাগিব যে তাৰ চান্দাৰ বৰ্তমান অৱস্থ কি।

এনেদৰে আৰু এটা কথা মোৱাল্লেগিন আৰু মুৰববী সকলক কব বিচাৰো যে কিছুমান ঠাইত মোৱাল্লিগ আৰু মুৰববী সকলে নিয়মানুযায়ী মিটিং অনুষ্ঠিত নকৰে। মোৱাল্লিগ ইনচাৰ্জ এই বিষয়ে সম্পূৰ্ণ দায়ী। জমাতৰ তৰবিয়ত আৰু

তবলিগৰ কাম সম্পৰ্কে খবৰ লব লাগিব। যি জনে ভাল কাম কৰিছে তাৰ সাল সলনিৰ খবৰ লব। এনেদৰে ছেক্ৰেটাৰী সকলে জমাতক যিবোৰ নিৰ্দেশ দিয়ে সেই বিষয়ে ৰিপোট দিব লাগিব। যিঠাইত ছেক্ৰেটাৰী সকল কাৰ্যকৰ নহয়, বিশেষকৈ তবলিগ আৰু তৰবিয়তৰ ক্ষেত্ৰত তাতমোবাল্লিগ সকলে সিহঁতক উৎসাহিত কৰিব লাগিব। আল্লাহ্ তায়লা সকলো পদাধিকাৰী সকলক সামৰ্থ দান কৰক যাতে আগত তিনি বছ্ৰত বেছি-বেছি কাম সম্পাদন কৰিব পাৰে আৰু নিজৰ কথা আৰু আমলৰ দ্বাৰা জমাতত এটা উত্তম আদৰ্শ স্থাপন কৰিব পাৰে।

......☆......☆......☆......☆......

**Assamese Khulasa Khutba Jumma Huzoor Anwar 15th July 2016**

**BOOK POST (PRINTED MATTER)**

**To**

______________________________

______________________________

______________________________

**From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890**